# বিভিন্ন ঠাইত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন



■গোৱালপাৰাৰ নিজা বাতৰি দিওঁতা ঃ গোৱালপাৰা মহাবিদ্যালয় আৰু ৱেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি গোৱালপাৰা মহাবিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত অসমীয়া বিভাগৰ লগতে মহাবিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত ৱেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলে অনলাইনযোগে সংযুক্ত হয়। ৱেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা নিতুমণি নাথে আঁত ধৰা অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে আদৰণী ভাষণ দিয়ে। অনলাইন আৰু অফলাইনযোগে আয়োজিত অনুষ্ঠানত 'মাতৃভাষাৰ গুৰুত্ব আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয়ৰ মূল বক্তৃতা প্ৰদান কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° জাহিৰুল হকে। শলাগৰ শৰাই আগবঢ়ায় ৱেষ্ট গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা হিমাশ্ৰী ৰায়ে।